# কলগাছিয়া নৱজ্যোতি মহাবিদ্যালয়ত 'নাক'ৰদ্বাৰা মূল্যায়ন প্ৰক্ৰিয়া আৰম্ভ

জনসাধাৰণ সেৱা, কলগাছিয়া, ২৩ এপ্ৰিল ঃ ২৮, ২৯ আৰু ৩০ এপ্ৰিলত কলগাছিয়া নৱজ্যোতি মহাবিদ্যালয়ত নাকৰ দ্বাৰা মূল্যায়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই উপলক্ষে যুদ্ধকালীন প্ৰস্তুতিৰে যোৱা কেইমাহ ধৰি নিৰ্মাণ, মেৰামতি, পুনৰ নিৰ্মাণৰ কাম চলি আছে। পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি কলেজখনলৈ নাকৰ পৰিদৰ্শন এই খবৰে কলগাছিয়াবাসীৰ বাবে এক সু খবৰ বুলি বিবেচিত হৈছে। এইক্ষেত্ৰত নাকৰ টিমটোৱে মহাবিদ্যালয়খনৰ অধ্যক্ষ, অধ্যাপকসকল, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ লগত প্ৰত্যক্ষভাৱে আলোচনা কৰি মহাবিদ্যালয়খনে প্ৰদান কৰা গুণগত উচ্চ শিক্ষাৰ মূল্যায়ন কৰিব। বৰ্তমান মহাবিদ্যালয়খনে ইউ জি পৰ্যায়ত ১৩টা বিভাগত কলা আৰু বিজ্ঞান শাখাত পাঠদান কৰি আছে আৰু প্ৰত্যেকটো বিভাগত গুৰু বিষয়ত অধ্যয়নৰ সুবিধা আছে। ইয়াৰ উপৰিও মহাবিদ্যালয়খন IDOLৰ জৰিয়তে স্নাতকোত্তৰ পাঠ্যক্ৰম, অসম উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰম আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত ইউ জি পাঠ্যক্ৰমসমূহৰ শিক্ষাদান কৰি আছে। সৰ্বমুঠ ৫৬জন, অধ্যাপকে বিভিন্ন বিভাগত শিক্ষাদান কৰে আৰু ইয়াৰে ১২জনৰ পি এইচ ডি, ১২জনৰ এম ফিল আৰু ৬জনে এম আৰ পি সম্পূৰ্ণ কৰিছে। মহাবিদ্যালয়খনৰ জন্মলগ্নৰপৰাই একাডেমিক এক্সেলেন্স প্ৰদৰ্শন কৰি অহাৰ উপৰিও বহু ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত প্ৰথম হৈ পাছ কৰিছে। মহাবিদ্যালয়ৰ প্ৰত্যেকজন শুভাকাংক্ষীয়ে আশাবাদী যে এইবাৰ মহাবিদ্যালয়খন নিঃসন্দেহে নাকৰ উচ্চতৰ গ্ৰেট লাভ কৰিব কাৰণ মহাবিদ্যালয়খন গৱেষণা প্ৰকাশন আৰু ফলাফলত গুণগত ধাৰা অটুট ৰাখিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ ভৰ্তিকৰণ, আন্তঃগাঁথনি সুবিধাসমূহ নতুন পাঠ্যক্ৰম খোলা, ডিজিটেল পুথিভঁৰাল, ৰাষ্ট্ৰীয় পৰ্যায়ৰ চেমিনাৰ আৰু কৰ্মশালা, ক্ৰীড়াৰ সুবিধা সমূহ, ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী বিভাগত নিয়োগ আদি সুবিধাকৰণ কামবিলাক সুচাৰুৰূপে পৰিচালনা হৈছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° চাহজাহান আলী আহমেদে বৃহত্তৰ স্বাৰ্থত সমাজৰ সৰ্বপৰ্যায়ৰ মানুহৰ সহায়-সহযোগিতা কামনা কৰিছে। অহা ২৮,২৯আৰু ৩০ এপ্ৰিলত হ'বলগীয়া নাকৰ মূল্যায়ন যাতে শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে পৰিচালনা হয় তাৰ বাবেও আটাইৰে আশীৰ্বাদ কামনা কৰিছে।

Dainik Janasadharan

24th Apr. 2016

# ২৮ এপ্ৰিলৰ পৰা কলগাছিয়া নৱজ্যোতি কলেজত 'নাক'ৰ মূল্যায়ন

নিয়মীয়া বাৰ্তা, কলগাছিয়া, ২৩ এপ্ৰিল ঃ অহা ২৮, ২৯ আৰু ৩০ এপ্ৰিলত কলগাছিয়া নৱজ্যোতি মহাবিদ্যালয়ত 'নাক'ৰ দ্বাৰা মূল্যায়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই উপলক্ষে যুদ্ধকালীন প্ৰস্তুতিৰে যোৱা কেইবামাহ ধৰি নিৰ্মাণ, মেৰামতি, পুনৰ নিৰ্মাণৰ কাম চলি আছে। পূৰ্ব কাৰ্যসূচী অনুসৰি কলেজখনলৈ 'নাক'ৰ পৰিদৰ্শনৰ খবৰে কলগাছিয়াবাসীৰ বাবে এক সুখবৰ বুলি বিবেচিত হৈছে। এইক্ষেত্ৰত 'নাক'ৰ দলটোৱে মহাবিদ্যালয়খনৰ অধ্যক্ষ, অধ্যাপক, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ লগত প্ৰত্যক্ষভাৱে আলোচনা কৰি মহাবিদ্যালয়খনে প্ৰদান কৰা গুণগত উচ্চ শিক্ষাৰ মূল্যায়ন কৰিব। বৰ্তমান মহাবিদ্যালয়খনে ইউ জি পৰ্যায়ত ১৩টা বিভাগত কলা আৰু বিজ্ঞান শাখাত পাঠদান কৰি আছে আৰু প্ৰত্যেকটো বিভাগত গুৰু বিষয়ত অধ্যয়নৰ সুবিধা আছে। ইয়াৰ উপৰি মহাবিদ্যালয়খনে 'আইডল'ৰ জৰিয়তে স্নাতকোত্তৰ পাঠ্যক্ৰম, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনত উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰম আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত ইউ জি পাঠ্যক্ৰমসমূহৰ শিক্ষাদান কৰি আছে। মহাবিদ্যালয়ৰ প্ৰত্যেকজন শুভাকাংক্ষীয়ে আশাবাদী যে এইবাৰ মহাবিদ্যালয়খন নিঃসন্দেহে 'নাক'ৰ উচ্চতৰ গ্ৰেড লাভ কৰিব। কাৰণ মহাবিদ্যালয়খন গৱেষণা প্ৰকাশন আৰু ফলাফলত গুণগত ধাৰা অটুট ৰাখিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ ভৰ্তিকৰণ, আন্তগাঁথনিৰ সুবিধাসমূহ, নতুন পাঠ্যক্ৰম খোলা, ডিজিটেল পুথিভঁৰাল, ৰাষ্ট্ৰীয় পৰ্যায়ৰ ছেমিনাৰ আৰু কৰ্মশালা, ক্ৰীড়াৰ সুবিধাসমূহ, ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী বিভাগত নিয়োগ আদি সুবিধাকৰণ কামবিলাক সুচাৰুৰূপে পৰিচালনা হৈছে। মহাবিদ্যালখনৰ অধ্যক্ষ ড° শ্বাহজাহান আলী আহমেদে বৃহত্তৰ স্বাৰ্থত সমাজৰ সৰ্বপৰ্যায়ৰ মানুহৰ সহায়-সহযোগিতা কামনা কৰিছে। অহা ২৮, ২৯ আৰু ৩০ এপ্ৰিলত হ'বলগীয়া 'নাক'ৰ মূল্যায়ন যাতে শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে পৰিচালনা হয়, তাৰবাবেও আটাইৰে আশীৰ্বাদ কামনা কৰিছে।

Niyamiya Barta

24/04/2016.